# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-03-2026
**Time :** 1100 Hrs.

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত আজি প্ৰথমখন চৰকাৰী অৰ্কিড উদ্যান মুকলি কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কৃষি, উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা উপস্থিত থাকিব। এই উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে। প্ৰথম পৰ্যায়ত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অৰ্কিড উদ্যানত ৯০০ বিধতকৈও অধিক দেশী-বিদেশী প্ৰজাতিৰ অৰ্কিড সংৰক্ষণ কৰা হৈছে। ২০ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা উদ্যানখনত ৫০০ খন আসনযুক্ত সাংস্কৃতিক মঞ্চ, পৰ্যটন নিবাস, শিশু উদ্যান, প্ৰশাসনিক ভৱন, থলুৱা খাদ্যৰ ভোজনালয় আদিৰ ব্যৱস্থা আছে। ইয়াত অসমৰ স্থাপত্য, ঐতিহ্য সংৰক্ষণৰ দিহা কৰা হৈছে। এই অৰ্কিড উদ্যানৰ জৰিয়তে স্থানীয় লোকসকলে আৰ্থিক উন্নয়নৰ সুযোগ লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। পৰস্পৰক আবিৰৰ ৰং সানি ফাকুৱা উদযাপন কৰিবলৈ সকলো সাজু হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে পাঁচ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত কালিৰেপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰতো কালিৰে পৰা দৌল উৎসৱ পালন কৰা হৈছে।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। মহানগৰীৰ বজাৰসমূহ ৰং-বিৰঙী ফাকুগুৰী, ৰং আৰু ফাকুৱাৰ বিভিন্ন সামগ্ৰীৰে ভৰি পৰিছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে বিভিন্ন জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৌল উৎসৱ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে প্ৰকৃতি আৰু আধ্যাত্মিকতাৰে সংপৃক্ত এই সময়ে অসুয়া অপ্ৰীতি নাশি সকলোৰে জীৱন আনন্দময় কৰি তুলিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

শিৱসাগৰ জিলাৰ চেৰেকাপাৰত কালি বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আতন বুঢ়াগোহাঞিৰ মৈদাম সংৰক্ষণৰ বাবে নিৰ্মাণ কৰা পকীবেৰ উদ্বোধন কৰে। টাই-আহোম উন্নয়ন পৰিষদৰ ৪৫ লাখ টকাৰ আৱণ্টিত পুঁজিৰে এই বেৰ নিৰ্মাণ কৰা হৈছে। এই অনুষ্ঠানৰ পাছতে মন্ত্ৰীগৰাকীয়ে চেৰেকাপাৰত টাই-আহোম উন্নয়ন পৰিষদৰ এক কোটি ২৮ লাখ টকা ব্যয়ৰে নিৰ্মিত চুকাফা ভৱনো উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে পৰ্যায় ক্ৰমে অঞ্চলটোৰ ঐতিহাসিক সম্পদসমূহৰ বিজ্ঞানসন্মত সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰে।

(বাইট)

০০০০০০০

২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা আৰু অন্যান্য সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত ২৮৪ গৰাকী আৰু ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত বৈজ্ঞানিক বিষয়া হিচাপে নিৰ্বাচিত পাঁচগৰাকী প্ৰাৰ্থীক কাইলৈ নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। তদুপৰি স্বাগত সতীৰ্থ প'ৰ্টেলৰ অধীনত পাৰস্পৰিক বদলিকৰণ পত্ৰও কাইলৈ প্ৰদান কৰা হ'ব। এই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কাইলৈ বিয়লি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিত্তমন্ত্ৰী অজন্তা নেওগ, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কৃষিমন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহনেও অংশগ্ৰহণ কৰিব।

০০০০০০০

এইমছ গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে দুৰ্যোগ প্ৰতিৰোধী চিকিৎসালয় সন্দৰ্ভত অনুষ্ঠিত এখন কৰ্মশালাৰ কালি সামৰণি পৰে। এই কৰ্মশালাত অঞ্চলটোৰ স্বাস্থ্য সেৱা প্ৰতিষ্ঠানসমূহত দুৰ্যোগৰ প্ৰস্তুতি আৰু প্ৰতিৰোধ ব্যৱস্থা শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰালয়ৰ দুৰ্যোগ ব্যৱস্থাপনা কোষৰ তত্বাৱধানত চিকিৎসালয়, প্ৰশাসন বিভাগ, এইমছ নতুন দিল্লী আৰু এইমছ গুৱাহাটীৰ উদ্যোগত দুদিনীয়াকৈ এই কাৰ্যসূচী অনুষ্ঠিত হয়। উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ লগতে পশ্চিমবংগ, ওড়িশা আৰু শিলচৰৰ উত্তৰ-পূব ইন্দিৰা গান্ধী আঞ্চলিক স্বাস্থ্য আৰু চিকিৎসা প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলে এই কাৰ্যসূচীত অংশ লয়।

০০০০০০০

**সমাপ্ত**